অসম বিধান সভা
তৰা চিহ্নিত প্ৰশ্ন নং. ২৩৪
**উত্তৰ দিয়া তাৰিখ : ২৭/০৭/২০২৬**

বিষয় : বাওখুংগ্ৰী **LAC ত যুৱ সমাজৰ Skill Development আৰু Employability বৃদ্ধি ।**

বিধায়কৰ নাম : **শ্ৰী ৰূপম চন্দ্ৰ ৰয় :**

**<u>প্ৰশ্ন:</u>**

মাননীয় দক্ষতা, নিয়োগ ও উদ্যমিতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বাওখুংগ্ৰী LAC ৰ যুৱ সমাজৰ Employability বৃদ্ধি কৰাৰ লক্ষ্যৰে Skill Development, Entrepreneurship Promotion, Industry-Linked training Programme আৰু Self-employment সুযোগ অধিক সম্প্ৰসাৰণ কৰাৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে ?

(খ) বাওখুংগ্ৰী LAC ত নতুন training Programme আৰম্ভ কৰাৰ কোনো পৰিকল্পনা আছে নেকি ?

(গ) স্থানীয় যুৱ সমাজক Startup আৰু Entrepreneurship ৰ সৈতে সংযোগ কৰাৰ কোনো বিশেষ ব্যৱস্থা আছে নেকি ?

**<u>উত্তৰ:</u>**

মাননীয় দক্ষতা, নিয়োগ ও উদ্যমিতা বিভাগৰ মন্ত্ৰী শ্ৰী বিশ্বজিৎ দৈমাৰী মহোদয়ে উত্তৰ দিব:

**(ক)** বাওখুংগ্ৰী LAC ৰ যুৱ সমাজৰ Employability বৃদ্ধি কৰাৰ লক্ষ্যৰে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ দ্বাৰা বাওখুংগ্ৰী সমষ্টিত এখন চৰকাৰী আই.টি.আই., কোকৰাঝাৰ আৰু দুখন এছ.চি.ভি.টি. ব্যক্তিগত আই.টি.আই. স্থাপন কৰা হৈছে। সেইকেইখন ক্ৰমে -

- ব্ৰহ্মানন্দ ব্যক্তিগত আই.টি.আই.
- গুৰুদেৱ কালীচৰণ ব্যক্তিগত আই.টি.আই.

এই আই.টি.আই. সমূহৰ দ্বাৰা যুৱ সমাজৰ নিয়োগযোগ্যতা, দক্ষতা বিকাশ, উদ্যমিতাৰ প্ৰসাৰ, উদ্যোগ-সংলগ্ন প্ৰশিক্ষণ কাৰ্যসূচী আৰু স্ব নিয়োজনৰ সুযোগ বৃদ্ধি কৰাৰ সুবিধা প্ৰদান কৰা হয়।

উদ্যোগ, বানিজ্য আৰু ৰাজহুৱা প্ৰতিস্থান বিভাগে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ হাতত দাখিল কৰা তথ্যৰ ওপৰত ভিত্তি কৰি বাওখুংগ্ৰী LAC ৰ যুৱ সমাজৰ Employability বৃদ্ধি কৰাৰ লক্ষ্যৰে তলত উল্লেখিত আঁচনি সমূহ ৰূপায়ণ কৰিছে -
১. মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA)
২. প্ৰধানমন্ত্ৰী নিয়োগ সৃষ্টি আঁচনি (PMEGP)
৩. প্ৰধানমন্ত্ৰীৰ ক্ষুদ্ৰ খাদ্য সংসাধীকৰণ উদ্যোগৰ আনুষ্ঠানিকীকৰণ আঁচনি (PMFME)

**(খ)** বাওখুংগ্ৰী সমষ্টিত (LAC) থকা চৰকাৰী আই.টি.আই. কোকৰাঝাৰত টাটা টেকন'লজিছ লিমিটেডৰ ৪ টা ট্ৰেড সংযোগ কৰি নতুন প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ কৰা হৈছে । (1. CNC Machining Technician 2. Basic Designer and Virtual Verifier

(Mechanical) 3. Industrial Robotics & Digital Manufacturing Technician 4. Mechanic Electric Vehicl ) । লগতে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ উদ্যোগত বাওখুংগ্ৰী LAC ত মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান (CMAAA) আঁচনিৰ বাচনি ভুক্ত ৮১৭ জন উদ্যমীক ইতিমধ্যে ৩ দিনীয়া প্ৰশিক্ষণ দিয়া হৈছে। তাৰোপৰি, PMEGP আঁচনিৰ বাচনি প্ৰাপ্ত যুৱক-যুৱতীসকলক Online যোগে আৰু RSETI, কোকৰাঝাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ জৰিয়তে প্ৰশিক্ষণ দি থকা হৈছে।

**(গ)** অসমৰ সকলো জিলাৰ Startup ৰ বাবে 'অসম ষ্টাৰ্ট-আপ এণ্ড ইনো'ভেচন প'লিচি-২০২৫-৩০' (Assam Startup and Innovation Policy, 2025-2030) আঁচনি আছে।

বাওখুংগ্ৰী LAC ত থকা স্থানীয় যুৱক-যুৱতীসকলক ষ্টাৰ্টআপ আৰু উদ্যোগীক পৰিৱেশ তন্ত্ৰৰ (ecosystem) সৈতে সংযোগ কৰিবলৈ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে প্ৰচেষ্টা চলাই আছে। বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ উদ্ভাৱন আৰু ইনকিউৰেচন কেন্দ্ৰ (IICBBEC) ৰ উদ্যোগত ইতিমধ্যে ৯ টা ষ্টাৰ্টআপ সফলতাৰে ইনকিউবেট কৰা হৈছে।

ইয়াৰওপৰিও অসম দক্ষতা বিকাশ অভিযানৰ দ্বাৰা বিভিন্ন (চৰকাৰী আৰু ব্যক্তিগত) প্ৰশিক্ষণ প্ৰতিষ্ঠানত হ্ৰস্বম্যাদি দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰি অহা হৈছে। অসম দক্ষতা বিকাশ অভিযানৰ প্ৰশিক্ষণ সমূহ মুলতঃ কৰ্মসংস্থান মুলক। অসম দক্ষতা বিকাশ অভিযানৰ অধীনত Guru Project (Promotion of Local Artisan Work in Indigenous Trade through GURU/Expert)ৰ জৰিয়তে অসমৰ সকলো জিলাত ১০ জনকৈ থলুৱা শিল্প/খণ্ডৰ প্ৰশিক্ষণ প্ৰদান কৰা হয় আৰু এই আঁচনিৰ জৰিয়তে কোকৰাঝাৰ জিলাৰ বাওখুংগ্ৰী সমষ্টিত থলুৱা হস্ততাঁত খণ্ডত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে । এই প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষাৰ্থী সকলক একোটিকৈ Entrepreneurial Kit দিয়া হয় যাতে প্ৰশিক্ষাৰ্থী সকলে নিজাকৈ আত্মসংস্থাপিত বা স্বাৱলম্বী হোৱাৰ সুযোগ লাভ কৰে।

----------x-----------